জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬২/২০২০

# ২০২০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ সমূহ পৰীক্ষাৰ্থীলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন

**দিছপুৰ, ১১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ১২ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত ২০২০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ সমূহ পৰীক্ষাৰ্থীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে ২০২০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে অৱতীৰ্ণ হৈ ছাত্ৰ-ছাত্ৰীসকলে অভিভাৱক, শিক্ষানুষ্ঠানৰ লগতে সমাজ জীৱনলৈ গৌৰৱ কঢ়িয়াই আনিব। এই পৰীক্ষা সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত সকলো শিক্ষা প্ৰতিষ্ঠান, অভিভাৱক আৰু শিক্ষাগুৰু সকলকৰ পৰা সহায়-সহযোগিতাও মুখ্যমন্ত্ৰীয়ে কামনা কৰিছে।

**বঃভাঃ / পুঃডেঃ**

১১/০২/২০২০